# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। কৃত্ৰিম বুদ্ধিমত্তা সন্মিলন ২০২৬ৰ আজি দ্বিতীয় দিনা কেইবালানিও গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে মুম্বাইত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

৩। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি কিছু সময়ৰ পূৰ্বে ২০২৬-২৭ বৰ্ষৰ অন্তৰ্ৱৰ্তী লেখানুদান উত্থাপন কৰে।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ঢাকাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে বি এন পিৰ অধ্যক্ষ তাৰিক ৰহমানৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

আৰু

৫। টি-২০ বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ ডি-ৰ এখন খেলত কানাডাই-নিউজিলেণ্ডক জয়ৰ বাবে ১৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooooo

কৃত্ৰিম বুদ্ধিমত্তা সন্মিলন, ২০২৬ৰ আজিৰ দ্বিতীয় দিন। নতুন দিল্লীত চলি থকা সন্মিলনৰ দ্বিতীয় দিনা আজি কেইবালানিও উচ্চ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত কৃত্ৰিম বুদ্ধিমত্তাক সৰ্বাত্মক আৰু পৰিৱৰ্তনশীল বিকাশৰ বাবে কেনেদৰে ব্যৱহাৰ কৰিব পৰা যায়, সেই সন্দৰ্ভত আলোকপাত কৰা হৈছে। এই আলোচনাসত্ৰত সমাজৰ কল্যাণত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ, ভাৰতৰ সাৰ্বভৌমত্বত কৃত্ৰিম বুদ্ধিমত্তা, তথ্য আৰু উদ্ভাৱনৰ প্ৰভাৱ, জনস্বাস্থ্যসেৱা, কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকা - এই সন্দৰ্ভত আলোকপাত কৰা হ'ব। পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই সন্মিলনত ৰাষ্ট্ৰীয় সুৰক্ষা, চাইবাৰ সুৰক্ষাৰ ৰণনীতি আৰু জনকল্যাণত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আদি গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰা হ'ব। আজি দ্বিতীয় দিনা স্বাস্থ্য, শক্তি, শিক্ষা, কৃষি, লিংগ সৰলীকৰণ, দিব্যাংগ আদিৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ কেচবুক আদি বিষয় সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই সন্মিলনত ২০ খন ৰাষ্ট্ৰৰ শীৰ্ষস্থানীয় নেতাই অংশ লৈছে। এই সন্মিলনে প্ৰশাসন, উদ্ভাৱন, দীৰ্ঘস্থায়ী বিকাশৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তনশীল সম্ভাৱনাৰ বিষয়ে বিশ্বনেতা, নীতি প্ৰস্তুতকাৰী, প্ৰযুক্তিৰ সৈতে জড়িত কোম্পানী, উদ্ভাৱক আৰু বিশেষজ্ঞসকলক এটা ধাৰণা দিব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬ বৰ্ষৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনক ধাৰণা, উদ্ভাৱন আৰু সদিচ্ছাৰ এটা শক্তিশালী মঞ্চ বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই সন্মিলনে বিশ্বৰ হিতৰ বাবে ভৱিষ্যতে কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ভাৰতৰ অসাধাৰণ দক্ষতাক

প্ৰদৰ্শন কৰিছে। তেওঁ কয়, যে এই সন্মিলনে মানৱ জাতিৰ উন্নয়নৰ বাবে কেনেদৰে কৃত্ৰিম বুদ্ধিমত্তাক দায়িত্বশীল আৰু সৰ্বাত্মকভাৱে ব্যৱহাৰ কৰিব পৰা যায়, সেইক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে দোহাৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত এই সন্মিলন মুকলি কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ' আজি মুম্বাইত এখন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সৈতে তেওঁৰ পত্নী তথা দেশখনৰ প্ৰথমগৰাকী মহিলা বি  মাক্ৰ' আৰু ফ্ৰান্সৰ এটা প্ৰতিনিধিৰ দল কালি নিশা মুম্বাইত উপস্থিত হোৱাৰ পাছত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল আচাৰ্য দেৱাৰ্ত, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজ আৰু আন শীৰ্ষ বিষয়াসকলে আদৰণি জনায়। উল্লেখযোগ্য যে তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ অহা ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি বিয়লি মুম্বাইৰ লোকভৱনত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে ভাৰত-ফ্ৰান্সৰ মাজৰ সহযোগিতা আৰু ভালেমান আঞ্চলিক আৰু আন্তৰ্জাতিক গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিব। দুয়োখন দেশৰ মাজত বিভিন্ন ক্ষেত্ৰৰ কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছতে দুয়োগৰাকী নেতাই এখন যুটীয়া সংবাদমেল সম্বোধন কৰিব। তদুপৰি দুয়োগৰাকী নেতাই তাজমহল পেলেচ হোটেলত আয়োজিত ইণ্ডিয়া-ফ্ৰান্স ইন'ভেচন ফ'ৰাম মুকলি কৰিব।

০০০০০০০০০

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি কিছু সময়ৰ পূৰ্বে ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হয়। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰে। লেখানুদান দাখিল কৰি শ্ৰীমতী নেওগে তেওঁৰ ভাষণত কয়, যে অসম ভাৰতৰ প্ৰগতিৰ ইঞ্জিনৰূপে পৰিগণিত হৈছে। অসমৰ জনমূৰি আয় দেশৰ ভিতৰতে দ্ৰুত গতিত বৃদ্ধি পাইছে। বিত্তীয় বিচক্ষণতাৰ বাবে অসমে যোৱা ৫ বছৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। বিগত ৫ বছৰে অসমৰ জনমূৰি আয় ৮০ শতাংশ বৃদ্ধি পাইছে বুলিও শ্ৰীমতী নেওগে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হয়।

উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে কালি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং আৰু বিহাৰৰ উপ মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন-২০২৬ত উপস্থিত থাকে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পঞ্চায়ত ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ব্যৱস্থাটোত স্বচ্ছতা অনাৰ ক্ষেত্ৰত চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে কাম কৰাৰ বাবে পদক্ষেপ লৈছে। কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিয়ে কৃষি খণ্ডক লাভান্বিত কৰাৰ লগতে পশপালন আৰু মীন ক্ষেত্ৰখনতো এই নতুন প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নতুন নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত এই খণ্ড সমূহত নতুন নিযুক্তিৰ সুবিধা সম্ভৱ হ'ব।

০০০০০০০০০

ভাৰতত থকা শ্ৰীলংকাৰ উচ্চায়ুক্ত মহচিনি কল'নিয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনত শ্ৰীলংকাৰ অংশগ্ৰহণে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ অংশীদাৰিত্বৰ গভীৰতা আৰু অগ্ৰাধিকাৰক প্ৰতিফলিত কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী কল'নিয়ে কয়, যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে গোলকীয় দক্ষিণত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন-২০২৬ৰ বাবে নতুন দিল্লীত উপস্থিত হৈছে। তেওঁ লগতে কয়, যে এই সন্মিলনত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীৰ অংশগ্ৰহণে দুয়ো দেশৰ মাজত ঘনিষ্ঠ সম্পৰ্ক প্ৰতিফলিত কৰাৰ লগতে ভৱিষ্যতৰ বাবে একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতিক বাস্তৱায়িত কৰিব। ইয়াৰ জৰিয়তে দুয়ো দেশৰ মাজত সৰ্বাত্মক, দায়িত্ব সম্পন্ন আৰু জনসাধাৰণকেন্দ্ৰিক উদ্ভাৱন নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতিও প্ৰতিফলিত হ'ব বুলি শ্ৰীমতী কল'নিয়ে প্ৰকাশ কৰে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত ভাৰতৰত্ন কৰ্পূৰী ঠাকুৰৰ পূণ্যতিথিত জননেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গৃহমন্ত্ৰী অমিত শ্বাহেও প্ৰয়াত ঠাকুৰৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে সামাজিক ন্যায়ৰ পথ প্ৰদৰ্শনক কৰ্পূৰী ঠাকুৰে স্বাধীনতা, সমতা আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল। তেওঁ কয়, যে প্ৰয়াত ঠাকুৰৰ আদৰ্শ যুৱ প্ৰজন্মৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

০০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ঢাকাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে বি এন পিৰ অধ্যক্ষ তাৰিক ৰহমানৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীও শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। চুবুৰীয়া দেশখনৰ শেহতীয়া সংসদীয় নিৰ্বাচনত বাংলাদেশ নেচলিষ্ট পাৰ্টিৰ নেতৃত্বত গঠিত মিত্ৰজোঁটে জয়লাভ কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত ওম বিৰলাৰ অংশগ্ৰহণে ভাৰত আৰু বাংলাদেশৰ জনসাধাৰণৰ মাজত গভীৰ আৰু চিৰস্থায়ী বন্ধুত্বক আলোকপাত কৰিছে আৰু দুয়োখন ৰাষ্ট্ৰক বান্ধি ৰখা গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি ভাৰতৰ অটল দায়বদ্ধতাক পুনৰ দৃঢ় কৰি তুলিছে। বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰে ভাৰত, চীন, চৌদি আৰৱ, মালয়েছিয়া, শ্ৰীলংকাকে ধৰি ১৩খন দেশৰ চৰকাৰৰ প্ৰতিনিধিক শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে। বাংলাদেশৰ জাতীয় সংসদ ভৱনত আজি নৱনিৰ্বাচিত সাংসদসকলেও শপত গ্ৰহণ কৰিব। উল্লেখযোগ্য যে শেহতীয়া সংসদীয় নিৰ্বাচনত বিএনপি নেতৃত্বাধীন মিত্ৰজোঁটে ২১২খন আসন লাভ কৰাৰ বিপৰীতে জামাত-ই-ইছলামী নেতৃত্বাধীন মিত্ৰজোঁটে ৭৭খন আসন লাভ কৰিছিল।

০০০০০০০০০

ICC টি টুৱেন্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত কানাডাই নিউজিলেণ্ডক জয়ৰ বাবে ১৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অ'ভাৰত কানাডাই চাৰিটা উইকেটৰ বিনিময়ত ১৭৩ ৰান কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১০ অ'ভাৰত ২ টা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰিছে।

আনহাতে, বিয়লি তিনি বজাত পালেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত গ্ৰুপ বিৰ এখন খেলত আয়াৰলেণ্ডে জিম্বাবুৱেৰ বিৰুদ্ধে খেলিব। সন্ধিয়া সাত বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত গ্ৰুপ চিৰ এখন খেলত নেপাল, স্কটলেণ্ডৰ মুখামুখি হ'ব।

কেনডি পাললেকেলে ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

কলকাতাৰ ইডেন গাৰ্ডেন্‌ছত অনুষ্ঠিত গ্ৰুপ চি পৰ্যায়ৰ আন এখন খেলত কালি ইংলেণ্ডে ইটালীক ২৪ ৰানত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে কালি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আফগানিস্তানে গ্ৰুপ ডিৰ আন এখন খেলত সংযুক্ত আৰব আমিৰশ্বাহীৰ বিৰুদ্ধে পাঁচ উইকেটৰ বিনিময়ত জয়লাভ কৰিছিল।

000000000

সমাপ্ত